**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

**HEADLINES**

১। নিৰ্বাচন আয়োগৰ গুজৰাট, পঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে থকা নন কেডাৰ সকলক বদলিৰ নিৰ্দেশ। শোণিতপুৰৰ আৰক্ষী অধীক্ষককো বদলি।

২। সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি আৰু আদৰ্শ আচৰণ বিধি কঠোৰভাৱে বলৱৎ কৰাৰ বাবে জিলা প্ৰশাসনসমূহৰ তৎপৰতা।

৩। ভোটদাতা সকলৰ মাজত লোকসভা নিৰ্বাচনৰ সজাগতা সৃষ্টিৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ শ্লʼগান আৰু জিংগল প্ৰতিযোগিতা।

৪। আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰব্বী হেৰিছ ফাৰুকী আৰু সহযোগী অনুৰাগ সিঙক অসম আৰক্ষীৰ বিশেষ টাস্ক ফʼৰ্চৰ ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাক সমপৰ্ণ।

**আৰু**

৫। কাইলৈৰ পৰা আই পি এল ক্ৰিকেটৰ সপ্তদশ সংস্কৰণৰ খেলসমূহ আৰম্ভ। প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ্ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

ooooo

————নিৰ্বাচন আয়োগে গুজৰাট, পঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিছে। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধু তথা মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত আয়োজিত বৈঠকত এই সিদ্ধান্ত লোৱা হয়। তদুপৰি আয়োগে পঞ্জাৱৰ ৰথিন্দাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অসমৰ শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষককো বদলিকৰণৰ নিৰ্দেশ দিয়ে। বিষয়া দুগৰাকীৰ পৰিয়ালৰ লোক ৰাজনীতিৰ সৈতে জড়িত হৈ থকাৰ পৰিপ্ৰেক্ষিতত আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰে।

ooooooo

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰা আৰু আদৰ্শ আচৰণ বিধি কঠোৰভাৱে বলৱৎ কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হৈ পৰিছে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটদাতাৰ সজাগতাৰ অংশস্বৰূপে জিলাখনৰ নিজৰ নিৰ্বাচনী শুভংকৰ **বি এল অ বাইদেউ** উন্মোচন কৰে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ উপস্থিতিত শিৱসাগৰ নগৰৰ পশ্চিম যমুনা ৰোড অঞ্চলৰ বি এল অ ৰীতা মেচে জিলাখনৰ নিৰ্বাচনী শুভংকৰটো উন্মোচন কৰে।

নগাঁও জিলাৰ ভোটদাতাৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আজি এটা চাইকেল সমদল উলিওৱা হয়। এই সমদলত ভালেসংখ্যক নতুন ভোটদাতাই অংশগ্ৰহণ কৰে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ দ্বাৰা আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে উত্তৰ-পূবৰ প্ৰথমগৰাকী পেৰা চাইকেলিষ্ট ৰাকেশ বনিকে। চাইকেল সমদলটোত নগাঁৱৰ নিৰ্বাচনী বিষয়া, অতিৰিক্ত আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াৰ লগতে নতুন ভোটদাতাসকলেও অংশগ্ৰহণ কৰে।

কাৰ্বি আংলং জিলা আৰু পশ্চিম কাৰ্বি আলং জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী আচৰণ বিধি উলংঘা তথা নিৰ্বাচনী বিধি সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে পৃথকে পৃথকে দুটা টোল ফ্ৰী নম্বৰ ঘোষণা

কৰিছে। ডিফু জিলা আয়ুক্তৰ কাৰ্যালয়ে ৬০০৩০-১৯৬৬২ টোল ফ্ৰী নম্বৰৰ সুবিধা দিছে। আনহাতে হামৰেণ জিলা আয়ুক্তৰ কাৰ্যালয়ে ৮১৩৫০-০৫৪৬৭ টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। নিৰ্বাচনৰ লগত জড়িত যিকোনো তথ্য জানিবৰ বাবে তথা অভিযোগ দাখিল কৰিবলৈ দুয়োখন জিলাৰ ভোটদাতাসকলে এই দুটা নম্বৰত যোগাযোগ কৰিব পাৰিব।

তিনিচুকীয়া নিৰ্বাচনী জিলাৰ নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটদাতাক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে অভিযান চলোৱা হৈছে। তিনিচুকীয়া, মাকুম, ডিগবৈ আৰু ডুমডুমা বিধানসভা সমষ্টিত আদৰ্শ আচৰণ বিধি বলৱৎ কোযে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। নিৰ্বাচনী জিলাখনৰ বিভিন্ন স্থানত নিয়োজিত ষ্টেটিক  ছাৰ্ভিলেন্স, ফ্লায়িং স্কোৱাড আৰু বিডিঅ' স্কোৱাডৰ দলে তালাচী অভিযান চলাইছে।

ইফালে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছৰে পৰা দক্ষিণ শালমাৰা মানকাচৰ জিলা আৰক্ষীৰ তালাচী অভিযান ব্যাপক কৰি তুলিছে। জিলাখনৰ অসম-মেঘালয় সীমান্ত এলেকাৰ প্ৰৱেশদ্বাৰসমূহেদি অহা-যোৱা কৰা প্ৰতিখন বাহনত তালাচী চলোৱা হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে এইপৰ্যন্ত জিলাখনত অবৈধভাৱে সৰবৰাহ কৰা ৩১ লাখ টকাতকৈও অধিক ধন জব্দ কৰা হৈছে।

সমাগৰ লোকসভা নিৰ্বাচনৰ বাবে কাজিৰঙা সমষ্টিত নিৰ্বাচনী আয়োগে ব্যয় পৰ্যবেক্ষক হিচাপে নিয়োগ কৰা আই আৰ এছ্ লক্ষ্মণ সিং গুৰজাৰ আজি গোলাঘাটত উপস্থিত হয়। ব্যয় পৰ্যবেক্ষকগৰাকীয়ে আজি নিৰ্দিষ্ট নিৰ্বাচনী কোষসমূহ পৰিদৰ্শন কৰে আৰু জিলা নিৰ্বাচনী বিষয়া তথা অন্যান্য সংশ্লিষ্ট বিষয়াসকলৰ লগত আলোচনা মিলিত হয়। নিৰ্বাচনী সম্বন্ধীয় যিকোনো তথ্যৰ বাবে ব্যয় পৰ্যবেক্ষকৰ কাৰ্যালয়ৰ টেলিফোন নম্বৰ ৯১০১১-২১৬৭১ আৰু নিয়ন্ত্ৰণ কক্ষৰ টেলিফোন নম্বৰ ০৩৭৭৪-২৮৩২৮২ত যোগাযোগ কৰিব পাৰিব। আনহাতে যিকোনো নিৰ্বাচনী সম্বন্ধীয় যিকোনো ধৰণৰ অভিযোগ CVIGIL এপৰ জৰিয়তে দাখিল কৰিব পাৰিব বুলি গোলাঘাট জিলা প্ৰশাসনে জানিবলৈ দিয়ে।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

oooooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে কালি ধুবুৰীৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰব্বী হেৰিছ ফাৰুকী আৰু তেওঁৰ সহযোগী অনুৰাগ সিঙক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ হাতত গতাই দিছে। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আজি আয়োজিত এখন সংবাদমেলত বিশেষ টাস্ক ফোৰ্চৰ মুৰব্বী পাৰ্থ সাৰথি মহন্তই হেৰিছ ফাৰুকী কূটাঘাতমূলক কাম-কাজৰ সৈতে জড়িত বুলি সদৰি কৰে। তদুপৰি আইচিচত সদস্য নিযুক্তি প্ৰক্ৰিয়াতো ফাৰুকী জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সীমান্ত পাৰ হ'বলৈ চেষ্টা কৰা অৱস্থাত ধৰ্মশালা এলেকাৰ পৰা সন্ত্ৰাসবাদী দুটাক গ্ৰেপ্তাৰ কৰা হৈছিল। শ্ৰী মহন্তই কয় যে এই সন্ত্ৰাসবাদী দুটা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা অৰ্থাৎ এন আই এৰ কেইবাটাও গোচৰত অভিযুক্ত হোৱাৰ সূত্ৰে তেওঁলোকৰ সন্ধানত সংস্থাটোৱে অভিযান চলাই আছিল। ৰাষ্ট্ৰীয় সংস্থাটোৰ তদন্তত ওলাবলগীয়া অসম বিষয়ক তথ্যসমূহৰ ভিত্তিত অসম আৰক্ষীয়ে নিজাববীয়াকৈ তদন্ত কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। দেশৰ অন্যপ্ৰান্তৰ

বিষয়সমূহ ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাটোৱে তদন্ত কৰিব বুলি মহা পৰিদৰ্শকগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে অসম আৰক্ষীয়ে সন্ত্ৰাসবাদী দুটাক প্ৰাথমিক পৰ্যায়ত কিছু সময়ৰ বাবে জেৰা কৰিছিল যদিও তদন্তৰ স্বাৰ্থত সেয়া ৰাজহুৱা কৰিব পৰা নাযায়। শ্ৰী মহন্তই কয় যে ১৫ দিন পূৰ্বে কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা এটাৰ পৰা আইচিচৰ দুজন শীৰ্ষ নেতাৰ গতিবিধি সন্দৰ্ভত অসম আৰক্ষীয়ে খবৰ লাভ কৰিছিল। এই অনুসৰি বিশেষ টাস্ক ফোৰ্চে চলোৱা অনুসন্ধানত ১৯ মাৰ্চত সন্ত্ৰাসবাদী দুটা ধুবুৰীৰ ধৰমশালাত উপস্থিত হোৱাৰ তথ্য লাভ কৰা হয়। এই অনুসৰি কালি পুৱতিনিশা ধৰমশালাত সীমান্ত অতিক্ৰম কৰা অৱস্থাত দুয়োজনকে গ্ৰেপ্তাৰ কৰা হয়। অৱশ্যে লোকদুজনৰ পৰা এতিয়ালৈ ম'বাইল ফোনৰ বাহিৰে অন্য সামগ্ৰী জব্দ কৰা হোৱা নাই।

ooooo

লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ লগতে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিছে। আজি গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত গোৱালপাৰা জিলাৰ দুধনৈত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই কাৰ্যসূচীত দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। গুৱাহাটী সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে আজি সমষ্টিটোৰ অন্তৰ্গত ৱাৰ্ডৰ সভাপতিসকলৰ সৈতে দলীয় সতীৰ্থসকলৰ উপস্থিতিত আলোচনাত মিলিত হয়। তেওঁ জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। লখিমপুৰ সমষ্টিৰ ডুমডুমাত বিধায়ক ৰূপেশ গোৱালাই এন ডি এ সমৰ্থিত প্ৰাৰ্থী প্ৰদান বৰুৱাৰ হৈ প্ৰচাৰ চলায়। ইপিনে, তিনিচুকীয়াৰ দুৰ্গাবাৰীত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। গগৈয়ে ডিব্ৰুগড় সমষ্টিত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে, কাজিৰঙা সমষ্টিৰ বিভিন্ন স্থানত ৰাজনৈতিক দলসমূহে তৎপৰতা অব্যাহত ৰাখিছে। আজি খুমটাই সমষ্টিৰ গাঁওসমূহত বিধায়ক মৃণাল শইকীয়াৰ সৈতে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাই প্ৰচাৰ চলায়। কৰিমগঞ্জৰ বিজেপি প্ৰাৰ্থী কৃপানাথ মল্লই আজি দুৰ্লভচৰা মণ্ডলৰ এখন দলীয় বৈঠকত অংশগ্ৰহণ কৰে।

ইপিনে, ধুবুৰী সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ২৬ লাখ ৪৩ হাজাৰৰ অধিক ভোটদাতা থকা সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাবেদ ইছলামে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰু কাণকাটাত দলীয় কৰ্মীৰ লগতে ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, দৰং, ওদালগুৰি লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মাধব ৰাজবংশীয়ে আজি খাৰুপেটীয়াত এখন দলীয় সভাত অংশ লয়। যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিজেপিৰ কাৰ্যকৰ্তাসকলৰ এখন সাংগঠনিক সভা আজি অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ প্ৰমুখ্যে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। বৰপেটাৰ লোকসভা সমষ্টিৰ বাবে অসম গণ পৰিষদৰ জিলা নিৰ্বাচনী কাৰ্যালয়টো আজি মুকলি কৰা হয়। দলৰ জিলা সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে কাৰ্যালয়টো মুকলি কৰে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি চৰাইদেউ জিলাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

oooooooo

মণিপুৰত প্ৰথম পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে নিযুক্তি দিয়া তিনিগৰাকী ব্যয় নিৰীক্ষক আজি ৰাজ্যখনত উপস্থিত হয়। ৰাজ্যখনৰ যুটীয়া নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰা মতে নিৰীক্ষক তিনিগৰাকীয়ে ৰাজ্যখনত চলি থকা নিৰ্বাচনী প্ৰচাৰ অভিযানৰ বুজ লোৱাৰ লগতে পুংখানুপুংখভাৱে ইয়াৰ নিৰীক্ষণ কৰিব। ইপিনে, ৰাজ্যখনত নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মচাৰীৰ প্ৰশিক্ষণ অব্যাহত আছে। নিৰ্বাচনৰ বাবে দেশৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে শাৰীৰিক প্ৰতিবন্ধকতা থকা ব্যক্তিৰ বাবে বিশেষ ভোটকেন্দ্ৰৰ ব্যৱস্থা কৰা হ'ব।

ooooo

ৰাজ্যৰ শিক্ষা বিভাগে নতুন শিক্ষাবৰ্ষ অৰ্থাৎ ১ এপ্ৰিলৰ পৰা শিক্ষা সেতু এপৰ জৰিয়তে ৰাজ্যৰ শিক্ষক, কৰ্মচাৰীৰ উপস্থিতি বাধ্যতামূলক কৰিছে। এনে পৰিস্থিতিত **সমগ্ৰ শিক্ষা, অসম**ৰ মিছন সঞ্চালক ওম প্ৰকাশে

সকলো জিলালৈ নিৰ্দেশনা জাৰি কৰি শিক্ষা সেতু এপত উপস্থিতি লোৱাৰ ক্ষেত্ৰত কিবা কাৰিকৰী বিসংগতি আছে নেকি সেয়া পৰীক্ষা কৰিবলৈ সংশ্লিষ্ট শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। এই ক্ষেত্ৰত যদি কিবা জনাবলগীয়া বিষয় থাকে তেন্তে সেয়া ২০ মাৰ্চৰ ভিতৰত জনাবলৈ মিছন সঞ্চালকে নিৰ্দেশনাটোত উল্লেখ কৰিছে।

ooooo

ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণৰ উপভোক্তা সম্পৰ্কীয় এটা অনুষ্ঠান মাজুলী জিলাৰ মাজুলী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা অহা টেলিকম কোম্পানীসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত প্ৰাধিকৰণৰ বিষয়াসকলে টেলিকম সম্পৰ্কীয় বিভিন্ন দিশ ডিজিটেল মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দাঙি ধৰে।

ooooo

আজি আন্তঃৰাষ্ট্ৰীয় বন দিৱস উপলক্ষে তামুলপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ সহযোগত বেচৰকাৰী সংগঠন **দ্যা গ্ৰীন গ্লোবেলৰ** উদ্যোগত এখন কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালাত বন্যপ্ৰাণীৰ খাদ্য-বাসস্থানৰ অভাৱ, হাতী-মানুহৰ সংঘাত আদিৰ লগতে অন্যান্য বিষয় আলোচনা কৰা হয়। কৰ্মশালাখনত সংশ্লিষ্ট ক্ষেত্ৰখনৰ বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

ooooo

উত্তৰ-পূব ক্ৰীড়া প্ৰতিযোগিতাৰ আজি তৃতীয় দিনটোত অসমে এথেলিটিক্সত তিনিটা সোণ লাভ কৰা লগতে অসমৰ মহিলা টেনিছ দলে মেঘালয়ক পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে। ইফালে আৰ্চাৰীত অসমে এঘাৰটা সোণৰ পদক নিৰ্ণয়কাৰী মেচত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰে। উল্লেখযোগ্য যে অসমৰ টেবুল টেনিছ খেলুৱৈ তৃষা গগৈয়ে এই প্ৰতিযোগিতাখনত চাৰিটাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে।

ooooo

আই পি এল ক্ৰিকেটৰ সপ্তদশ সংস্কৰণ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈৰ খেল চেন্নাইত, চেন্নাই ছুপাৰ কিংছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰৰ মাজত অনুষ্ঠিত হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে টী-টুৱেণ্টী বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে হ'বলগীয়া এইবাৰৰ আই পি এলৰ সংস্কৰণে বিশেষ গুৰুত্ব বহন কৰিছে। তদুপৰি নিলামৰ পূৰ্বে এই সংস্কৰণ চূড়ান্ত হিচাপে পৰিগণিত হৈছে।

ইপিনে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়ামত অহা মে'ত দুখন আই পি এলৰ খেল অনুষ্ঠিত হ'ব। ৰাজস্থান ৰয়েল্‌ছৰ অধ্যক্ষ অসমৰ ৰঞ্জিত বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি চি চি আয়ে প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক সূচীহে ঘোষণা কৰিছে। অহা সপ্তাহত লীগৰ পৰৱৰ্তী কাৰ্যসূচী প্ৰকাশ কৰা হ'ব। ইফালে, ব'ৰ্ডৰ সচিব জয় শ্বাহে এইবাৰ আই পি এলৰ সকলো খেল ভাৰততে হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বে অহা ৫ আৰু ১৬ মে'ত বৰ্ষাপাৰাত দুখন খেল হোৱাৰ কথা আছিল যদিও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মে'ৰ তৃতীয় বা চতুৰ্থ সপ্তাহত খেল দুখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ৰাজস্থান ৰয়েল্‌ছে এইবাৰ আই পি এলত ২৪ মাৰ্চত জয়পুৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব।

oooooooo

নাগালেণ্ডত একমাত্ৰ লোকসভা আসনখনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। ৰাজ্যখনত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। নাগালেণ্ড সংসদীয় সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সুশীল কুমাৰে কৈছে যে, কালি অধিসূচনা জাৰি কৰাৰ পিছত কোনো প্ৰাৰ্থী অথবা তেওঁৰ সমৰ্থকে ৰিটাৰ্ণিং বিষয়া বা সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ অহা ২৭ মাৰ্চৰ ভিতৰত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। তেওঁ লগতে কয় যে, ২৮ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৩০ মাৰ্চ হৈছে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ৪ জুনত ভোটগণনা অনুষ্ঠিত হ'ব।

oooooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে উচ্চতম ন্যায়ালয় প্ৰাংগণত আজি সহায় কেন্দ্ৰৰ বিশেষ সুবিধা মুকলি কৰে। তেওঁ কয় যে ন্যায়াধীশ ৰবীন্দ্ৰ ভটৰ অধ্যক্ষতাৰ অধীনৰ সমিতিৰ প্ৰতিবেদন দাখিলৰ সৈতে আৰম্ভ হোৱা বিশেষ পদক্ষেপৰ সৈতে সংগতি ৰাখি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে বিশেষভাৱে সক্ষম লোক, জ্যেষ্ঠ নাগৰিক, গৰ্ভৱতী মহিলাকে ধৰি বিশেষ সহায়ৰ প্ৰয়োজন হোৱা লোকসকলৰ বাবে উচ্চতম ন্যায়ালয়ৰ সুবিধাসমূহ উপলব্ধ কৰোৱাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণৰ বাবে এই সমিতিখনে পৰামৰ্শ দিয়ে।

**সমাপ্ত**